HOD, Dept. of ..., T.H.B. College

MAY THE DIVINE LIGHT ENLIGHTEN US

T.H.B. COLLEGE
STUUDENT UNION.

# উপবিধি

## ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়

## ছাত্ৰ একতা সভা

## জামুগুৰিহাট

Scanned by CamScanner

HOD.Dept. of History
T.H.B. College

উপ-বিধি ঃ সংস্কৰণ উপ-সমিতিৰ সদস্য সকল ক্ৰমে
**২০০৯ চন**

ড.সদানন্দ হাজৰিকা, অধ্যক্ষ/সভাপতি
ম. চাহাবুদ্দিন আহমেদ, তত্ত্বাৱধায়ক অধ্যাপক.
ছাত্ৰ একতা সভা।(আহ্বায়ক )
শ্ৰী চন্দ্ৰমোহন নাথ (সদস্য)
শ্ৰী চিত্তৰঞ্জন নাথ (সদস্য), সাধাৰন সম্পাদক
শ্ৰী হিৰণ্য বৰুৱা (সদস্য)

Scanned by CamScanner

১নং দফা : নাম - এই অনুস্থানৰ নাম ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয় ছাত্র একতা সভা ।

২নং দফা ঃ প্রতীক - মহাবিদ্যালয়ৰ প্রতীক চিহ্নই ছাত্র একতা সভাৰ প্রতীক হ'ব। মাত্র বেদীত **T.H.B. College Student Union** লিখা থাকিব।

৩নং দফা : পতাকা - পাতল সেউজীয়া ৰঙৰ কাপোৰৰ মাজ ভাগত মহাবিদ্যালয়ৰ প্রতীক অঙ্কিত হ'ব, লগত ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয় ছাত্র একতা সভা, জামুগুৰিহাট লিখা থাকিব । পতাকাৰ আকাৰ ২:৩ ।

৪নং দফা : ছাত্র-ছাত্রীৰ সাজ পোছাক - ছাত্র একতা সভাই নির্দ্ধাৰণ কৰা ধৰণৰ সাজ-পোছাক পৰিধান কৰাটো বাধ্যতামুলক ।

৫নং দফা : লক্ষ্য আৰু উদ্দেশ্য - (ক) দেশৰ সংবিধান তথা গণতান্ত্রিক বিধি ব্যৱস্থাৰ লগতে ধর্ম নিৰপেক্ষতাৰ আদর্শৰ লগত একাত্ম হ'ব পৰাকৈ ছাত্র ছাত্রী সকলক গঢ়ি তোলা।

(খ) মহাবিদ্যালয়ৰ ছাত্র সমাজত ঐক্য, শান্তি আৰু সমন্বয়ৰ ভেটি সুদৃঢ় কৰা ।

(গ) মহাবিদ্যালয়ত সুস্থ শৈক্ষিক পৰিৱেশ বৰ্ত্তাই ৰখা ।

(ঘ) ছাত্র-ছাত্রীসকলৰ বৌদ্ধিক, নৈতিক, সাংস্কৃতিক আৰু শাৰিৰীক বিকাশ সাধনত গুৰুত্ব দিয়া ।

(ঙ) সামাজিক দায়বদ্ধতাৰ লগতে প্রতিযোগিতাৰ মনোভাৱ গঢ়ি তোলাত সহায় কৰা ।

৬নং দফা : সদস্য পদ - ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয়ৰ প্রতিজন নিয়মীয়া ছাত্র-ছাত্রী ছাত্র একতা সভাৰ সাধাৰণ সদস্য হ'ব ।

৭নং দফা : একতা সভা গঠন প্রক্রিয়া - (ক) মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীৰ দ্বাৰা প্রত্যক্ষ নির্বাচন প্রক্রিয়াৰে নির্বাচিত সম্পাদক/সম্পাদিকা সকলৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু বিভাগীয় তত্বাৱধায়ক অধ্যাপক/ অধ্যাপিকাকলৈ ছাত্র একতা সভা গঠন কৰা হ'ব ।

(খ) সভাপতি : মহাবিদ্যালয়ৰ অধ্যক্ষ গৰাকীয়ে ছাত্র একতা সভাৰ স্থায়ী সভাপতি হ'ব ।

(গ) তত্বাৱধায়ক অধ্যাপক/অধ্যাপিকা : মহাবিদ্যালয়ৰ অধ্যক্ষই বছৰি এজন জ্যেষ্ঠ অধ্যাপকক ছাত্র একতা সভাৰ তত্বাৱধায়ক অধ্যাপক ৰূপে মনোনীত কৰিব । লগতে তেখেতে বিভাগীয় তত্বাৱধায়ক সকলকো মনোনীত কৰিব পাৰিব। তদুপৰি অধ্যক্ষই এজন কার্যালয় জ্যেষ্ঠ সহায়কক(ছাত্র একতা

Scanned by CamScanner

সভাৰ) হিচাপ ৰক্ষক মনোনীত কৰিব ।

(ঘ) বিষয়ববীয়া সকল : নিয়মীয়া ছাত্র-ছাত্রী সকলৰ মাজৰ পৰা প্রত্যক্ষ নির্বাচনৰ জৰিয়তে এজন উপ-সভাপতি, এজন উপ-সভাপতি, এজন সাধাৰণ সম্পাদক, এজন সহ সাঃসম্পাদক, এজন বহিঃ ক্রিড়া সম্পাদক, এজন আলোচনী সম্পাদক, এজন সাংস্কৃতিক সম্পাদক, এজন উৎসৱ বিভাগৰ সম্পাদক, এজন বিতর্ক বিভাগৰ সম্পাদক, এজন ছাত্র জিৰণী কোঠাৰ সম্পাদক আৰু এজনী ছাত্রী জিৰণী কোঠাৰ সম্পাদিকা থাকিব।

(ঙ) কার্যকাল : ছাত্র একতা সভাৰ কার্যকাল এবছৰীয়া হ'ব ।

(চ) দায়িত্ব আৰু কর্তব্য : ছাত্র একতা সভাই ৫নং দফাত উল্লেখিত লক্ষ্য আৰু উদ্দেশ্য সমূহ পূৰণ কৰাৰ যাৱতীয় দায়িত্ব পালন কৰিব ।

(ছ) থুল : ছাত্র একতা সভাৰ মুঠ সদস্যৰ একক সংখ্যা আৰু গৰিষ্ঠ ৰ উপস্থিতিয়ে থুল বুলি গণ্য কৰা হ'ব।

৮নং দফা : দায়িত্ব : (ক) ছাত্র একতা সভাৰ সম্পূর্ণ কর্তৃত্ব মহাবিদ্যালয়ৰ অধ্যক্ষ তথা একতা সভাৰ সভাপতিৰ ওপৰত ন্যস্ত থাকিব। তেখেতে একতা সভাৰ সাধাৰণ সভা, বিশেষ সাধাৰণ সভা আৰু কার্যনির্বাহক সভাৰ বৈঠকত সভাপতিত্ব কৰিব । সভাপতি অধ্যক্ষৰ অনুপস্থিতিত ছাত্র একতা সভাৰ তত্বাৱধায়ক অধ্যাপক গৰাকীয়ে সভা পৰিচালনা কৰিব ।

(খ) তত্বাৱধায়ক : বিভাগীয় তত্বাৱধায়ক শিক্ষকসকলে নিজৰ বিভাগীয় দায়িত্ব সমূহ নিয়াৰিকৈ পালন কৰাৰ লগতে বিভাগীয় সম্পাদক সকলক দিহা পৰামর্শ দিব । তদুপৰি বিভাগীয় সম্পাদকৰ বছেৰেকীয়া বাজেট, খৰচ পাতি আদি থিকমতে হৈছে নে নাই তাৰ তদাৰক কৰিব । বিভাগ অনুযায়ী ছাত্র-ছাত্রী সকলক তেওঁলোকৰ দায়িত্ব আৰু কর্তব্য সম্পর্কে সোঁৱৰাই দি সক্রিয় কৰাৰ বাবে সততে যত্ন ল'ব ।

(গ)সাধাৰণ সম্পাদকৰ দায়িত্ব আৰু কর্তব্য : প্রয়োজন সাপেক্ষে ছাত্র একতা সভাৰ সাধাৰণ সভা, কার্যনির্বাহক সভা আহ্বান কৰাৰ লগতে তত্বাৱধায়ক অধ্যাপকৰ লগত আলোচনা মর্মে সভাৰ কার্যসূচী প্রস্তুত কৰা, সভাৰ সিদ্ধান্ত সমূহ কার্যকৰী কৰা, সকলো সভাৰ কার্যবিৱৰণী আৰু খৰচৰ হিচাপ পৰিপাটিকৈ ৰখা সাধাৰণ সম্পাদকৰ মূল দায়িত্ব হ'ব । তদুপৰি অন্য বিভাগীয় সম্পাদক/ সম্পাদিকা সকলৰ কাম-কাজত চকু ৰখা, পৰামর্শ দিয়া একতা সভাৰ লক্ষ্য

Scanned by CamScanner

আৰু উদ্দেশ্য সমূহ পূৰণৰ ক্ষেত্ৰত নিষ্ঠাৰে কাম কৰি যাব ।

(ঘ) সহকাৰী সাধাৰণ সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য : সাধাৰণ সম্পাদকৰ সকলো কামতে সহায় সহযোগ কৰিব। সাধাৰণ সম্পাদকৰ অনুপস্থিতিত সহ: সাধাৰণ সম্পাদকে ছাত্ৰ একতা সভাৰ প্ৰয়োজনীয় কাম-কাজ কৰিব পাৰিব। সা:সম্পাদকে কোনো কাৰণবশত: পদত্যাগ কৰিলে পৰবৰ্তী নিৰ্বাচন নোহোৱালৈকে তেওঁ সা:সম্পাদক ৰূপে কাৰ্য সম্পাদন কৰিব । অন্য কোনো বিভাগীয় সম্পাদকৰ দীৰ্ঘদিনীয়া অনুপস্থিতি বা পদত্যাগ কৰিলে কাৰ্যনিৰ্বাহক সভাৰ অনুমোদন সাপেক্ষে সহঃ সাধাৰণ সম্পাদকে তেনে খালি হৈ থকা বিভাগৰ যাবতীয় কাম কাজ কৰিব ।

(ঙ) অন্যান্য সম্পাদক সকলৰ দায়িত্ব : অন্য বিভাগ সমূহৰ সম্পাদক সকলে তেওঁলোকৰ বিভাগীয় কাম কাজ যেনে - বছেৰেকীয়া বাজেট দাখিল খা-খৰচৰ যাৱতীয় নথিপত্ৰ বিভাগীয় তত্বৱধায়ক অধ্যাপক/ অধ্যাপিকাৰ জৰিয়তে সুচাৰুৰূপে পৰিচালনা কৰিব পাৰিব ।

৯নং দফা - সভা-সমিতি : (ক) এবছৰীয়া কাৰ্যকালত অতিকমেও ৪ খন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব লাগিব । কাৰ্যনিৰ্বাহক সভাৰ বৈঠকৰ বাবে সাঃ সম্পাদকে অন্ততঃ দুদিনৰ আগতে জাননী দিব লাগিব। তদুপৰি প্ৰয়োজন সাপেক্ষে বিশেষ কাৰ্যকৰী কমিতিৰ বৈঠক চমু জাননীৰ জৰিয়তে আহ্বান কৰিব লাগিব ।

(খ) মহাবিদ্যালয়ৰ সমূহ নিয়মীয়া ছাত্ৰ-ছাত্ৰীকলৈ সাধাৰণ সভা গঠিত হ'ব । সাধাৰণ সভাৰ জাননী তিনি দিনৰ আগতে দিব লাগিব । সাধাৰণ সভাই ছাত্ৰ-ছাত্ৰীৰ(একতা সভাৰ)মাচুল বৃদ্ধি সংবিধান সংশোধন তথা সংযোজন আৰু বিশেষ কাৰ্যসূচীৰ (ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উন্নয়নৰ ) অনুমোদন জনাব পাৰিব ।

(গ) সাংস্কৃতিক বিভাগ : মহাবিদ্যালয়ৰ নবাগত আদৰণী সভা আৰু বছেৰেকীয়া মহাবিদ্যালয় সপ্তাহ সমাৰোহত ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন সাংস্কৃতিক বিষয়ৰ ওপৰত (নৃত্য, গীত, নাটক ) প্ৰতিযোগিতাৰ আয়োজন কৰিব । তদুপৰি আৰ্থিক সচ্ছলতাৰ ওপৰত ভিত্তি কৰি বিশ্ববিদ্যালয়ত আয়োজিত 'যুব মহোৎসৱত' প্ৰতিনিধিত্ব কৰিব ।

(ঘ) ছাত্ৰ-ছাত্ৰীৰ শাৰিৰীক আৰু মানসিক উৎকৰ্ষৰ বাবে মহাবিদ্যালয় সপ্তাহ সমাৰোহত বিভিন্ন খেল-ধেমালি অনুষ্ঠিত কৰাৰ দিহা কৰিব । তদুপৰি খেলৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰিব পাৰিব ।

(ঙ) বিতৰ্ক প্ৰতিযোগিতা ঃ মহাবিদ্যালয় সপ্তাহ সমাৰোহ, যুৱ মহোৎসৱ,

Scanned by CamScanner

নবাগত আদৰণী সভা আৰু প্ৰয়োজন সাপেক্ষে অন্য যিকোনো অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰ্ক, কুইজ, আকস্মিক বক্তৃতানুষ্ঠান, কবিতা আবৃত্তি আদি অনুষ্ঠিত কৰিব ।

(চ) উৎসৱ বিভাগ ঃ সৰস্বতী পূজা, গুৰু দুজনাৰ তিথি আৰু প্ৰয়োজন সাপেক্ষে অন্য অনুষ্ঠান পাতিব। ইয়াৰ বাবে বছৰৰ আৰম্ভণিতে যথোচিত বাজেট, আঁচনি গ্ৰহণ কৰিব লাগিব ।

(ছ) আলোচনী আৰু সাহিত্য বিভাগ ঃ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উত্তৰণৰ বাবে সাহিত্য বিভাগৰ দ্বাৰা আলোচনা চক্ৰ, সাহিত্য প্ৰতিযোগিতা, প্ৰাচীৰ পত্ৰিকা,(অন্তত দুটা সংখ্যা ) আৰু বছেৰেকীয়া এখন আলোচনী সংখ্যা প্ৰকাশ কৰিব । ইয়াৰ বাবে বিভাগীয় সম্পাদকে তত্ত্বাৱধায়কৰ পৰামৰ্শক্ৰমে যাবতীয় আঁচনি, বাজেট গ্ৰহণ কৰিব লাগিব। মহাবিদ্যালয়ৰ আলোচনী সংখ্যাটি সম্পাদকৰ কাৰ্যকালৰ ভিতৰত প্ৰকাশ হব লাগিব ।

(জ) সমাজ সেৱা বিভাগ ঃ ছাত্ৰ-ছাত্ৰীৰ মাজত কৰ্ম-সংস্কৃতি গঢ়ি তোলাৰ বাবে এই বিভাগৰ দ্বাৰা বছেৰেকত অন্ততঃ দুটা সমাজ সেৱা শিবিৰ পাতিব লাগিব।

(ঝ) ছাত্ৰ/ছাত্ৰী জিৰনী কোঠাৰ সম্পাদকৰ দায়িত্বঃ মহাবিদ্যালয় ছাত্ৰ/ছাত্ৰীৰ জিৰনী কোঠাত প্ৰয়োজনীয় বাতৰি কাকত/আলোচনীৰ যোগান/আন্তঃখেল সমূহৰ সামগ্ৰী যোগান আৰু তত্ত্বাৱধান কৰিব । লগতে মহাবিদ্যালয় সপ্তাহ সমাৰোহত বিভাগীয় সম্পাদক/সম্পাদিকাই আন্তঃখেল (Indore games) সমূহৰ প্ৰতিযোগিতা পাতিব পাৰিব ।

(ঞ) একতা সভাৰ অনুষ্ঠান ঃ নবাগত আদৰণি সভা, বছেৰেকীয়া সপ্তাহ সমাৰোহৰ অন্তত বঁটা বিতৰণী আৰু মূলসভা আহ্বান, শিক্ষক কৰ্মচাৰীৰ বিদায় সম্বৰ্দ্ধনা সভা, শোক সভা সমূহ সাঃসম্পাদকৰ আহ্বানত অনুষ্ঠিত কৰিব।

১০ নং দফা ঃ শপত গ্ৰহণ আৰু বাজেট অধিবেশন - একতা সভাৰ নৱনিৰ্বাচিত হোৱাৰ এমাহৰ ভিতৰত কাৰ্যগ্ৰহণৰ শপত ল'ব পাৰিব । প্ৰথমখন বৈঠকত ন-পুৰণি কাৰ্যনিৰ্বাহকৰ সমূহ বিষয়ববীয়াই অংশ গ্ৰহণ কৰিব পাৰিব। শপত গ্ৰহণৰ পিছত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত বিভাগীয় সম্পাদক সকলে নিজ নিজ বিভাগৰ বছেৰেকীয়া আয়-ব্যয়ৰ খচৰা বাজেট দাখিল কৰিব লাগিব।

১১নং দফাঃ নিৰ্বাচন পৰিচালনা পদ্ধতি - মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহৰ সমাপ্তিৰ এসপ্তাহৰ ভিতৰত পৰৱৰ্তী বছৰৰ বাবে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ নিৰ্বাচন প্ৰতিবছৰৰ ডিচেম্বৰ মাহত অনুষ্ঠিত হ'ব ।(বিশেষ কাৰণবশত

Scanned by CamScanner

আগ-পিছ হব পাৰে )

(ক) নিয়মীয়া ((Regular) ছাত্ৰ-ছাত্ৰী সকলৰ মাজৰ পৰা নিৰ্বাচন আয়োগৰ নীতি নিৰ্দেশনাৰ ভিত্তিত ৭নং (ঘ) দফাত উল্লেখ থকা বিষয়ববীয়াৰ বাবে যাবতীয় প্ৰ-পত্ৰ জমা দিব লাগিব । এজন ছাত্ৰ বা ছাত্ৰীয়ে একাধিকবাৰ একেটা পদবীতে প্ৰতিদ্বন্দিতা কৰিব নোৱাৰিব ।

(খ) একমাত্ৰ নিয়মিয়া (Regular ) ছাত্ৰ-ছাত্ৰী সকলেহে ভোটাধিকাৰ লাভ কৰিব আৰু বিষয়ববীয়া সকলক নিৰ্বাচিত কৰিব পাৰিব ।

(গ) নিৰ্বাচন সম্পৰ্কত সভাপতি অধ্যক্ষই ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক অধ্যাপকৰ লগত আলোচনা মৰ্মে এখন নিৰ্বাচন আয়োগ গঠন কৰিব । আয়োগৰ সদস্যৰ সংখ্যা পাঁচ জন হ'ব তাৰে এজন Chairman আৰু বাকী চাৰিজন সদস্য হ'ব ।

(ঘ)বিশেষ পৰিস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষই নিৰ্বাচন অনুস্থিত নকৰি পোন পটিয়াকৈ বিষয়ববীয়া মনোনীত কৰিব পাৰিব ।

১২ নং দফা ঃ প্ৰাথীৰ অৰ্হতা - (ক) উপ-সভাপতি পদৰ বাবে স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীয়েহে মনোনয়ন দাখিল কৰিব পাৰিব ।

(খ)সাঃ সম্পাদক আৰু সহঃ সাঃসম্পাদকৰ পদৰ বাবে স্নাতক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীয়েহে মনোনয়ন দাখিল কৰিব পাৰিব ।

(গ) অন্যান্য পদবী সমূহত উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক আৰু স্নাতক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীয়েহে মনোনয়ন দাখিল কৰিব পাৰিব ।

(ঘ) প্ৰত্যেক শ্ৰেণীৰ পৰা এজনকৈ মুঠতে পাঁচজন শ্ৰেণী প্ৰতিনিধিক এবছৰৰ কাৰ্যকালৰ বাবে ছাত্ৰ একতা সভাই মনোনীত কৰিব পাৰিব ।

১৩নং দফা ঃ নিৰ্বাচন আয়োগ - (ক) ১১নং (গ) দফা অনুযায়ী গঠিত নিৰ্বাচন আয়োগে ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ প্ৰয়োজনীয় নীতি নিৰ্দেশনা জাৰি কৰিব পাৰিব ।

(খ) নিৰ্বাচনৰ কমেও পোন্ধৰ দিনৰ আগতে নিৰ্বাচন আয়োগে নিৰ্বাচনী অধিসুচনা জাৰি কৰিব । উক্ত অধিসুচনাত মনোনয়ন পত্ৰ দাখিলৰ তাৰিখ, প্ৰত্যাহাৰৰ তাৰিখ, ভোটগ্ৰহণৰ তাৰিখ আৰু ফলাফল ঘোষনাৰ তাৰিখ উল্লেখ থাকিব ।

(গ) নিৰ্বাচনৰ যাবতীয় নীতি নিৰ্দেশনা নিৰ্ধাৰণ কৰোতে আয়োগে ভাৰতীয় সংবিধান আৰু দেশত প্ৰযোজ্য আইনৰ আধাৰত কৰিব ।

Scanned by CamScanner

১৪নং দফা ঃ বিষয়ববীয়াৰ পদ খাৰিজ - (ক) নির্বাচিত অথবা মনোনীত যি কোনো বিষয়ববীয়াই একেৰাহে তিনিখন ছাত্র একতা সভাৰ বৈঠকত অকৃত্ৰশীলভাবে উপস্থিত নাথাকিলে তেওঁৰ বিষয়বাব খাৰিজ হ'ব ।
(খ) মহাবিদ্যালয়ৰ নীতি-নিয়ম উলংঘা কৰা, ইয়াৰ মান-মর্যাদা হানি কৰা আদি কার্যত জৰিত থকা যিকোনো বিষয়ববীয়াক তেনে পদবীৰ পৰা অপসাৰণ কৰিব পাৰিব । এইক্ষেত্রত অপসাৰণ কৰিব খোজা সম্পাদক/সম্পাদিকাৰ বিৰুদ্ধে অনা অভিযোগ লিখিতভাবে অধ্যক্ষক জনাব লাগিব অধ্যক্ষই ছাত্র একতা সভাৰ ২/৩ অংশ সদস্যৰ অনুমোদন সাপেক্ষে তেনে বিষয়ববীয়াৰ পদ খাৰিজ কৰিব পাৰিব ।
(গ) নির্বাচিত বিষয়ববীয়া সকলে তেওঁৰ কার্যকালত নীতিবর্হিভূতভাবে মহাবিদ্যালয়ত নিজৰ নাম ভর্ত্তি নকৰিলে তেনে ছাত্রৰ বিষয়বাব খাৰিজ হ'ব।
১৫ নং দফাঃ পুঁজিৰ লেনদেন ঃ (ক) ছাত্র একতা সভাৰ পুঁজিৰ লেনদেনৰ সমূহ কর্তৃত্ব অধ্যক্ষ/সভাপতিৰ ওপৰত ন্যস্ত থাকিব।
(খ)বিভাগীয় সম্পাদক/সম্পাদিকা সকলে যিকোনো অনুষ্ঠান পতাৰ প্রাক্ মুহূর্তত আনুমানিক খৰছৰ প্রতিলিপি সহ সর্বোচ্চ ৮০ শতাংশ ধন অগ্রীম হিচাপে বিভাগীয় তত্তাৱধায়ক অধ্যাপকৰ অনুমোদন সাপেক্ষে অধ্যক্ষৰ পৰা বিচাৰিব পাৰিব। উক্ত অনুষ্ঠানৰ সামৰনিৰ ১০ দিনৰ ভিতৰত খৰছৰ যাৱতীয় নথি পত্ৰ সহ সম্পূর্ণ হিচাপ অধ্যক্ষৰ কার্যালয়ত জমা দি বাকী ২০ শতাংশ ধন মোকলাই ল'ব পাৰিব।
(গ) এটা বিভাগৰ বাহি ধন আন এটা বিভাগলৈ স্থানান্তৰ কৰিব লগা হ'লে ছাত্র একতা সভাৰ অনুমোদন লাগিব।
১৬ নং দফা ঃ ছাত্র সাহার্য পুঁজি (Student Aid Fund)
(ক) প্রতিজন ছাত্র-ছাত্রীৰ বৰঙণীৰ দ্বাৰা গঠন হোৱা 'Student Aid Fund'ৰ সমূহ লেনদেন অধ্যক্ষৰ কর্তৃত্বত থাকিব। অধ্যক্ষই এই পুঁজিত জমা হোৱা ধন মহাবিদ্যালয়ৰ আর্থিক দুর্দশাগ্রস্ত আৰু মেধাবী ছাত্র-ছাত্রীক সহায় কৰাৰ বাবে খৰছ কৰিব পাৰিব।
(খ) এই পুঁজি বিতৰণৰ সময়ত অধ্যক্ষই ছাত্র-ছাত্রীৰ পৰা আবেদন বিচাৰি জাননী জাৰি কৰিব লাগিব। আবেদনৰ লগত আর্থিক আয়ৰ প্রমাণ পত্র আৰু পৰীক্ষাৰ উত্তীর্ণৰ মার্কশ্বিট গাঠি দিব  লাগিব।

Scanned by CamScanner

(গ) এই পুঁজি বিতৰণৰ যাবতীয় বিষয়সমূহ তদাৰক কৰিবলৈ অধ্যক্ষৰ নেতৃত্বত উপাধ্যক্ষ, ছাত্ৰ একতা সভাৰ তত্বাৰধায়ক অধ্যাপক, একতা সভাৰ সাধাৰণ সম্পাদক আৰু কাৰ্যালয়ৰ এগৰাকী সহায়কক লৈ এখন ৫ (পাচ) জনীয়া উপ সমিতি থাকিব।

১৭ নং দফা ঃ ছাত্ৰ একতা সভা ভঙ্গ -

মহাবিদ্যালয়ৰ অধ্যক্ষই ছাত্ৰ একতা সভাৰ তত্বাৰধায়কৰ লগত আলোচনা মৰ্মে বিশেষ জটিল পৰিস্থিতিত তৎকালিনভাবে ছাত্ৰ একতা সভা ভঙ্গ কৰি পৰবৰ্ত্তী নিৰ্বাচন অনুষ্ঠিত নোহোৱা পৰ্য্যন্ত এখন তদৰ্থ কমিটি গঠন কৰিব পাৰিব। এনেদৰে গঠন কৰা তদৰ্থ কমিটিৰ ম্যাদ ছমাহতকৈ বেচি হ'ব নোৱাৰিব।

১৮ নং দফা ঃ সংবিধান সংশোধন -

এই উপবিধিৰ যিকোনো দফাৰ সংশোধন অথবা সংযোজনৰ একান্ত প্ৰয়োজন বুলি ছাত্ৰ একতা সভাই অনুভৱ কৰিলে সংবিধান সংশোধনী প্ৰস্তাৱ আনিব পাৰিব। সভাত গৃহিত প্ৰস্তাৱটি এখন তিনিজনীয়া সদস্যৰ দ্বাৰা গঠিত উপ-সমিতিলৈ প্ৰেৰণ কৰি উক্ত বিশেষ সমিতিৰ অনুমোদন সাপেক্ষেহে ৯ নং(খ) দফা মতেসাধাৰণ সভালৈ গ্ৰহণৰ বাবে প্ৰেৰণ কৰিব পাৰিব । সাধাৰণ সভাত গৃহীত হোৱাৰ পিচত উক্ত দফাটি সংশোধন হৈছে বুলি গণ্য কৰা হ'ব।

আজি ইং ৭-১১-২০০৯ তাৰিখে সংবিধান সংশোধনী উপসমিতিৰ বৈঠকত উক্ত খছৰা উপবিধি সংশোধনী সহ সভাত পাঠ আৰু গ্ৰহণ কৰা হয়।

বি:দ্ৰ : ইয়াৰ পিচত ইং ১৭/১১/০৯ তাৰিখে ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সভাত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰি সাধাৰণ সভাৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হয় । ইং ২৪/১১/০৯ ছাত্ৰ একতা সভাৰ সাধাৰণ সভাত উক্ত খছৰা উপ-বিধিখন পঠিত হোৱাৰ অন্তত সৰ্বসন্মতি ক্ৰমে গৃহীত কৰা হয় ।

০০০

উপ-বিধি ঃ সংস্কৰন উপ-সমিতি

ত্যাগবীৰ হেমবৰুৱা মহাবিদ্যালয় ছাত্ৰ একতা সভা

Scanned by CamScanner